NEWZ NOW

সংখ্যা ৭ | শনিবাৰ, ৩১ অক্টোবৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

দেশ

জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে INDIA মিত্রজোঁটৰ 'জনতাৰ মহাভিযোগ' , খার্গেৰ বাসগৃহত প্রতীকী সংসদ

- CEC জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে INDIA মিত্রজোঁটৰ 'জনতাৰ মহাভিযোগ' কার্যসূচী। - খার্গেৰ বাসগৃহত অনুষ্ঠিত প্রতীকী সংসদীয় কার্যসূচীত মীৰা কুমাৰৰ সভাপতিত্ব। - খার্গেই প্রতীকী প্রস্তাৱ উত্থাপন কৰাৰ বিপৰীতে ৰাহুল গান্ধীয়ে সামৰণি ভাষণ দিয়ে। - ১ নৱেম্বৰত ৰামলীলা ময়দানত 'চলো দিল্লী' সমদল আৰু প্রতিবাদী সমাৱেশৰ আহ্বান। Short Summary



NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, আবেলি ৪:৩৮

নতুন দিল্লী, ৩১ অক্টোবৰ: মুখ্য নির্বাচন আয়ুক্ত (CEC) জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে 'জনতাৰ মহাভিযোগ' শীর্ষক প্রতীকী প্রতিবাদী কার্যসূচী গ্রহণ কৰিলে বিৰোধী INDIA মিত্রজোঁটে। শনিবাৰে নতুন দিল্লীত কংগ্রেছৰ ৰাষ্ট্রীয় সভাপতি মল্লিকার্জুন খার্গেৰ ১০, ৰাজাজী মার্গস্থিত বাসগৃহত এই কার্যসূচী অনুষ্ঠিত হয়।

সম্পূর্ণ খবৰ:
https://newznow.in/news/149

অসম

মুখ্যমন্ত্রীক SITয়ে জেৰা নকৰালৈকে জুবিন গার্গে ন্যায় লাভ কৰাত সন্দেহ আছে: নীলমণি সেন ডেকা



পঢ়ক: https://newznow.in/news/152

স্বাস্থ্য

GMCHত স্থাপন হ'ব ভাৰতৰ ৰাজহুৱা খণ্ডৰ প্রথমটো প্র'টন বিম থেৰাপি কেন্দ্র



পঢ়ক: https://newznow.in/news/151

অসম


ঘনকান্ত গগৈৰ বাসগৃহত তিনিঘণ্টাৰ তালাচীত আৰক্ষীয়ে নাপালে লীজৰ নথি, গাড়ীৰ চাবি



পঢ়ক: https://newznow.in/news/146

অসম

'অখিল গগৈয়ে গছত উঠাই গুৰি কাটিছে' - জুবিনৰ ন্যায়ৰ যুঁজত অখিলৰ বিৰুদ্ধে ক্ষোভ উজাৰিলে ৰাতুল বৰাই



পঢ়ক: https://newznow.in/news/119

ভিতৰৰ পাততে

দেশ: INDIA মিত্রজোঁটৰ দিল্লী সমাৱেশৰ পূ...

দেশ: ১ নৱেম্বৰত ৰাহুল গান্ধীৰ 'চলো দিল...

প্রযুক্তি: ইতিহাসৰ সর্ববৃহৎ ক্রিপ্টো হেকিংৰ অ...

দেশ: দলীয় অসন্তুষ্টি, ৩ নৱেম্বৰত পদত্য...

আজিৰ গুৰুত্বপূৰ্ণ খবৰ

INDIA মিত্রজোঁটৰ দিল্লী সমাৱেশৰ পূৰ্বে কংগ্রেছলৈ পাঁচটা প্রশ্ন কিৰেন ৰিজিজুৰ

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ২:৪১



নতুন দিল্লী, ৩১ অক্টোবৰঃ কংগ্রেছক পাঁচটা প্রশ্নৰে প্রত্যাহ্বান জনাইছে কেন্দ্রীয় সংসদীয় পৰিক্রমা মন্ত্রী কিৰেন ৰিজিজুৱে। ১ নৱেম্বৰত দিল্লীৰ ৰামলীলা ময়দানত INDIA মিত্রজোঁটৰ 'চলো দিল্লী' সমাৱেশ অনুষ্ঠিত হোৱাৰ এদিন পূৰ্বে সামাজিক মাধ্যমযোগে কংগ্রেছৰ নিৰ্বাচনী পৰাজয় আৰু ভোটাৰ তালিকাৰ বিশেষ নিবিড় সংশোধন (SIR)ক লৈ প্রশ্ন উত্থাপন কৰে মন্ত্রীগৰাকীয়ে।

ৰিজিজুৱে কংগ্রেছক প্রত্যক্ষ প্রশ্ন কৰি কয় যে দলটোৱে উত্থাপন কৰা নিৰ্বাচনী অনিয়মৰ অভিযোগৰ উত্তৰ দিব লাগিব। তেওঁৰ পাঁচটা প্রশ্নৰ ভিতৰত প্রথমটো আছিল - ২০১৪ চনৰ লোকসভা নিৰ্বাচনত কংগ্রেছ চৰকাৰৰ দিনতে নিৰ্বাচন আয়ুক্তসকলক নিযুক্তি দিয়া হৈছিল, তেন্তে সেই নিৰ্বাচনত কংগ্রেছে মাত্র ৪৪খন আসনহে কিয় লাভ কৰিছিল?

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/136

ইতিহাসৰ সৰ্ববৃহৎ ক্রিপ্টো হেকিংৰ অভিযোগ! Binanceৰ ৬.৩ বিলিয়ন ডলাৰৰ সম্পত্তি প্রভাৱিত

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ৩:১৪



৩১ অক্টোবৰঃ বিশ্বৰ সৰ্ববৃহৎ ক্রিপ্টোকাৰেন্সী বিনিময় মঞ্চ Binanceত সংঘটিত এক বৃহৎ চাইবাৰ আক্রমণত প্রায় ৬.৩ বিলিয়ন ডলাৰ মূল্যৰ ক্রিপ্টো সম্পত্তি প্রভাৱিত হৈছে। বৃহস্পতিবাৰে প্রতিষ্ঠানটোৱে এই নিৰাপত্তাজনিত ঘটনাৰ কথা প্রকাশ কৰে। আক্রমণৰ ফলত হোৱা সকলো লোকচান পূৰণ কৰাৰ আশ্বাস দিছে Binance কর্তৃপক্ষই।

প্রতিষ্ঠানটোৰ প্রাৰম্ভিক তদন্ত অনুসৰি, এজন অভিযন্তাৰ লেপটপ হেক হোৱাৰ জৰিয়তে আক্রমণকাৰীয়ে প্রৱেশাধিকাৰ লাভ কৰিছিল আৰু তাৰ সহায়ত অনুমতি অবিহনে ক্রিপ্টো সম্পত্তি স্থানান্তৰ কৰিছিল। অৱশ্যে ঘটনাটোৰ সম্পূৰ্ণ কাৰণ এতিয়াও তদন্তাধীন।

Binanceৰ মতে, আন ক্রিপ্টো মঞ্চসমূহৰ সহযোগত প্রায় ৩ বিলিয়ন ডলাৰ মূল্যৰ সম্পত্তি জব্দ কৰা হৈছে। বাকী সম্পত্তিৰ সন্ধান আৰু উদ্ধাৰৰ চেষ্টা অব্যাহত আছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/142

১ নৱেম্বৰত ৰাহুল গান্ধীৰ 'চলো দিল্লী' সমদল ! লোৱা নাই অনুমতি: দিল্লী আৰক্ষী

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ৩:০৫



নতুন দিল্লী, ৩১ অক্টোবৰঃ ভোটাৰ তালিকাৰ বিশেষ নিবিড় সংশোধন (SIR)ক লৈ নিৰ্বাচন আয়োগৰ বিৰুদ্ধে প্রতিবাদ তীব্রতৰ কৰিছে বিৰোধী INDIA মিত্রজোঁটে। আজি শনিবাৰে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে 'Public Impeachment' শীৰ্ষক প্রতিবাদী কার্যসূচী অনুষ্ঠিত কৰাৰ কথা। আনহাতে, কাইলৈ ১ নৱেম্বৰত দিল্লীৰ মিন্টো ৰোডৰ পৰা ৰামলীলা ময়দানলৈ 'চলো দিল্লী' সমদল উলিয়াব বিৰোধী মিত্রজোঁটে।

প্রথমে শুকুৰবাৰে অনুষ্ঠিত হোৱাৰ কথা আছিল এই 'Public Impeachment' কার্যসূচী। কিন্তু দিল্লীত ধাৰাসাৰ বৰষুণৰ বাবে কার্যসূচী এদিন পিছুৱাই শনিবাৰলৈ নিৰ্ধাৰণ কৰা হয়। কংগ্রেছৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে সামাজিক

মাধ্যমযোগে এই কথা জনাইছিল।

সম্পূর্ণ খবৰ:
https://newznow.in/news/141

দলীয় অসন্তুষ্টি, ৩ নৱেম্বৰত পদত্যাগৰ ঘোষণা শ্রীনগৰৰ সাংসদ ৰুহুল্লাৰ

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ২:২৮



শ্রীনগৰ, ৩১ অক্টোবৰঃ জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্রী ওমৰ আব্দুল্লাৰ নেতৃত্বাধীন চৰকাৰৰ লগতে শাসকীয় নেচনেল কনফাৰেন্সৰ ভিতৰতো দেখা দিছে দলীয় অসন্তুষ্টি। শেহতীয়াকৈ মন্ত্রীসভাৰ সম্প্রসাৰণক কেন্দ্র কৰি দলৰ একাংশ বিধায়কৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হোৱাৰ সময়তে শ্রীনগৰৰ সাংসদ আগা ৰুহুল্লা মেহদিয়ে অহা ৩ নৱেম্বৰত দল আৰু লোকসভাৰ সদস্যপদ ত্যাগ কৰাৰ কথা ঘোষণা কৰিছে।

ৰুহুল্লা মেহদিয়ে সামাজিক মাধ্যমত প্রকাশ কৰা বক্তব্যত নেচনেল কনফাৰেন্সৰ নেতৃত্বক তীব্র সমালোচনা কৰে। তেওঁৰ অভিযোগ, নির্বাচনৰ সময়ত অনুচ্ছেদ ৩৭০ পুনৰ বাহাল কৰা, বন্দীসকলক মুক্তি দিয়া আৰু জনসাধাৰণৰ অধিকাৰ সুৰক্ষাৰ প্রতিশ্রুতি দিছিল দলটোৱে। কিন্তু ক্ষমতালৈ অহাৰ পিছত সেই প্রতিশ্রুতি পূৰণৰ ক্ষেত্রত দলৰ নেতৃত্বই প্রয়োজনীয় পদক্ষেপ গ্রহণ কৰা নাই।

সম্পূর্ণ খবৰ:
https://newznow.in/news/133

বিচ্ছেদৰ তিনিমাহ পিছতে সাংবাদিক নিধি ৰাজদানক বিয়া জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্রী ওমৰ আব্দুল্লাৰ

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, আবেলি ৫:০২



নতুন দিল্লী, ৩১ অক্টোবৰ: সাংবাদিক নিধি ৰাজদানৰ সৈতে বিবাহপাশত আৱদ্ধ হ'ল জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্রী ওমৰ আব্দুল্লা। শনিবাৰে সামাজিক মাধ্যমত যুগ্ম ফটো প্রকাশ কৰি বিবাহৰ কথা ৰাজহুৱা কৰে মুখ্যমন্ত্রীগৰাকীয়ে।

Instagramত নিধি ৰাজদানৰ সৈতে এখন ফটো প্রকাশ কৰি ওমৰ আব্দুল্লাই লিখে, "কালি এক নতুন যাত্রাৰ আৰম্ভণি হ'ল।" পোষ্টটোত তেওঁ নিধি ৰাজদানকো টেগ কৰে। India Today-ৰ প্রতিবেদন অনুসৰি, শুকুৰবাৰে, ৩০ অক্টোবৰত দুয়োৰে বিবাহ সম্পন্ন হয়। বিবাহৰ এদিন পাছত শনিবাৰে এই খবৰ ৰাজহুৱা কৰে ওমৰ আব্দুল্লাই।

এই বিবাহৰ খবৰ পোহৰলৈ অহাৰ পাছতে ৰাজনৈতিক আৰু সংবাদ মাধ্যমৰ মহলত চর্চা আৰম্ভ হৈছে। অৱশ্যে বিবাহ অনুষ্ঠানৰ স্থান, অতিথিৰ সংখ্যা বা আনুষ্ঠানিকতাৰ বিষয়ে দুয়োৰে তৰফৰ পৰা অধিক তথ্য প্রকাশ কৰা হোৱা নাই।

সম্পূর্ণ খবৰ:
https://newznow.in/news/150

ৰাজ্যপালৰ কনভয়ৰ নিৰাপত্তাত কর্তব্যৰত গৃহৰক্ষী জোৱানৰ পথ দুর্ঘটনাত মৃত্যু

অজিত কুমাৰ বৰদলৈ | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ২:৩৬



জাগীৰোড, ৩১ অক্টোবৰঃ কর্তব্যৰত অৱস্থাতে এক কৰুণ পথ দুর্ঘটনাত প্ৰাণ হেৰুৱালে এগৰাকী গৃহৰক্ষী জোৱানে। ৰাজ্যপালৰ কনভয়ৰ নিৰাপত্তাৰ দায়িত্বত নিয়োজিত জিতুমণি কলিতা নামৰ গৃহৰক্ষী জোৱানজন জাগীৰোডৰ ধৰমতুলত এখন তীব্ৰবেগী ইকো বাহনৰ খুন্দাত গুৰুতৰভাৱে আহত হয়।

জানিব পৰা মতে, জাগীৰোডৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে ৰাজ্যপালৰ কনভয় পাৰ হৈ যোৱাৰ সময়ত নিৰাপত্তাৰ দায়িত্ব পালন কৰি আছিল জিতুমণি কলিতাই। সেই সময়তে এখন তীব্ৰবেগী ইকো বাহনে তেওঁক খুন্দা মাৰে। খুন্দাৰ ফলত কেইবাফুট দূৰলৈ চিটিকি পৰে জোৱানজন।

দুর্ঘটনাৰ পিছতে গুৰুতৰভাৱে আহত জোৱানজনক ততাতৈয়াকৈ মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ লৈ যোৱা হয়। কিন্তু চিকিৎসালয়ত চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে।

কর্তব্যৰত অৱস্থাত গৃহৰক্ষী জোৱানজনৰ এনে আকস্মিক মৃত্যুৰ ঘটনাই শোকৰ ছাঁ পেলাইছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/135

৬ নৱেম্বৰত ১২ ঘণ্টীয়া শিৱসাগৰ জিলা বন্ধৰ আহ্বান আটাছুৰ

মোস্তাক আহমেদে | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ১২:৫১



শিৱসাগৰ, ৩১ অক্টোবৰঃ ঐতিহ্য সংৰক্ষণ আৰু যমুনাৰ বেদখল উচ্ছেদৰ দাবীত অহা ৬ নৱেম্বৰত ১২ ঘণ্টীয়া শিৱসাগৰ জিলা বন্ধৰ আহ্বান জনাইছে আটাছুৱে। আটাছুৰ সভাপতি বসন্ত গগৈয়ে ঘোষণা কৰা অনুসৰি, পুৱা ৫ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ এই বন্ধ কার্যসূচী পালন কৰা হ'ব।

জানিব পৰা মতে, আজি শিৱসাগৰ জিলা প্ৰশাসনে আলোচনাৰ বাবে আটাছুৰ কেন্দ্ৰীয় নেতৃত্বক আমন্ত্ৰণ জনাইছিল। কিন্তু এটা স্পৰ্শকাতৰ বিষয়ক লৈ অনুষ্ঠিত হ'বলগীয়া আলোচনাত জিলা আয়ুক্ত মৃদুল যাদৱ উপস্থিত নথকাত ক্ষোভ প্ৰকাশ কৰে আটাছুৰ নেতৃবৰ্গই। ইয়াৰ পিছতে আলোচনা কক্ষ ত্যাগ কৰে সংগঠনটোৰ প্ৰতিনিধিসকলে।

আলোচনা বিফল হোৱাৰ পিছতে আটাছুৰ সভাপতি বসন্ত গগৈয়ে ৬ নৱেম্বৰত ১২ ঘণ্টীয়া শিৱসাগৰ জিলা বন্ধৰ আহ্বান জনায়।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/120

'অখণ্ড ভাৰতৰ নির্মাতা' চর্দাৰ পেটেলৰ ১৫১সংখ্যক জন্মজয়ন্তী, দেশজুৰি শ্ৰদ্ধাঞ্জলি

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ১২:৩৫



নতুন দিল্লী, ৩১ অক্টোবৰ: স্বাধীন ভাৰতৰ ৰাজনৈতিক ঐক্য আৰু ৰাষ্ট্ৰীয় সংহতিৰ ইতিহাসত এক বিশেষ স্থান অধিকাৰ কৰি থকা চর্দাৰ বল্লভভাই পেটেলৰ ১৫১সংখ্যক জন্মজয়ন্তী উপলক্ষে শনিবাৰে দেশজুৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি বিভিন্ন

ৰাজনৈতিক নেতাই ভাৰতৰ 'লৌহ পুৰুষ'গৰাকীৰ অৱদান স্মৰণ কৰে। তেওঁৰ জন্মদিনটো দেশজুৰি 'ৰাষ্ট্ৰীয় একতা দিৱস' (Rashtriya Ekta Diwas) হিচাপেও পালন কৰা হয়।

নতুন দিল্লীৰ চৰ্দাৰ পেটেল চৌকত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে পেটেলৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/118

'আৰক্ষীয়ে কঠোৰ চাৰ্জশ্বীট দাখিল কৰক', মন্তব্য ঘনকান্ত গগৈৰ অধিবক্তাৰ

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ১:৩২



গুৱাহাটী, ৩১ অক্টোবৰঃ গুৱাহাটীৰ হোটেল বিলাস ইনত সংঘটিত হত্যাকাণ্ডৰ গোচৰত অভিযুক্ত ঘনকান্ত গগৈৰ পত্নী জোনমণি গগৈয়ে আজি পুনৰ ধেমাজি থানাত হাজিৰ হয়। আৰক্ষীয়ে বিচাৰাৰ বাবেই থানাত উপস্থিত হোৱা বুলি জানিবলৈ দিছে জোনমণিৰ অধিবক্তাই।

অধিবক্তাগৰাকীৰ মতে, জোনমণি গগৈয়ে আত্মসমৰ্পণ কৰা নাই। আৰক্ষীৰ আহ্বান অনুসৰিহে তেওঁ থানাত উপস্থিত হৈছে। আত্মসমৰ্পণ অপৰাধীয়েহে কৰে বুলিও মন্তব্য কৰে অধিবক্তাগৰাকীয়ে।

ইফালে, হোটেল বিলাস ইন হত্যাকাণ্ডৰ গোচৰত আৰক্ষীক কঠোৰ চাৰ্জশ্বীট দাখিল কৰিবলৈ আহ্বান জনাইছে ঘনকান্ত গগৈৰ অধিবক্তাই। তেওঁৰ মন্তব্য, চাৰ্জশ্বীট কঠোৰ হ'লে গোচৰটোত প্ৰতিৰক্ষা পক্ষৰ যুক্তি দাঙি ধৰিবলৈ সুবিধা হ'ব।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/123

কেন্দ্ৰীয় গৃহমন্ত্ৰী দক্ষতা পদক ২০২৬ ঘোষণা, অসমৰ ১৯গৰাকী আৰক্ষী বিষয়ালৈ সন্মান

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ১:১০



গুৱাহাটী, ৩১ অক্টোবৰঃ কেন্দ্ৰীয় গৃহমন্ত্ৰী দক্ষতা পদক ২০২৬ৰ বাবে নিৰ্বাচিত হৈছে অসমৰ ১৯গৰাকী আৰক্ষী বিষয়া আৰু কৰ্মচাৰী। দেশৰ বিভিন্ন ৰাজ্য, কেন্দ্ৰীয়শাসিত অঞ্চল, কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী (CAPF) আৰু কেন্দ্ৰীয় আৰক্ষী সংগঠনৰ মুঠ ৪৯০গৰাকী বিষয়া-কৰ্মচাৰীক এই পদক প্ৰদান কৰা হৈছে।

বিশেষ অভিযান শাখাত উল্লেখযোগ্য অৱদানৰ বাবে অসমৰ কেইবাগৰাকীও আৰক্ষী বিষয়াই এই সন্মান লাভ কৰিছে। ইয়াৰ ভিতৰত আছে গুৱাহাটী মহানগৰ আৰক্ষীৰ আয়ুক্ত পাৰ্থসাৰথি মহন্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষক প্ৰণৱ কুমাৰ আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক কল্যাণ কুমাৰ পাঠক।

ইয়াৰ উপৰি অতিৰিক্ত উপ-আৰক্ষী আয়ুক্ত অনুৰাগ শৰ্মা, অতিৰিক্ত আৰক্ষী অধীক্ষক ব'জি তালুকদাৰ, পৰিদৰ্শক কমলেশ সিং, ভাস্কৰমণি পাটোৱাৰী, চন্দ্ৰজ্যোতি বৰা, বিক্ৰম বসুমতাৰী, শংকৰ...

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/122

ৰে'লৰেৰ পুৰণি লোহা-লক্কৰ বিক্ৰীৰ নিয়মেৰে বিক্ৰী কৰা হ'ল নেকি আই ডি বি আই বেংক?

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, পুৱা ৯:৩৭



চৰকাৰী বেংক হিচাপে পৰিচিত আইডিবিআই বেংকটো (IDBI Bank) কানাডাৰ 'ফেয়াৰফেক্স' (Fairfax Financial Holdings) নামৰ কোম্পানীটোক বিক্ৰী কৰাৰ সিদ্ধান্তক লৈ দেশজুৰি এক ডাঙৰ বিতৰ্কৰ সৃষ্টি হৈছে। যোৱা ১৪ অক্টোবৰত কেন্দ্ৰীয় কেবিনেটে ৫২,৮৭৮ কোটি টকাত বেংকটোৰ সিংহভাগ অংশীদাৰিত্ব (৬০.৭২ শতাংশ) ফেয়াৰফেক্সক বিক্ৰী কৰাত

অনুমোদন জনাইছিল। ইয়াত কেন্দ্রীয় চৰকাৰ আৰু এলআইচি (LIC)-ৰ হাতত থকা শ্বেয়াৰ বিক্রী কৰা হৈছে।

কিন্তু দেশৰ আগশাৰীৰ বাণিজ্যিক আলোচনী 'বিজনেছৱর্ল্ড' (Businessworld) আৰু কাকত 'বিজনেছ ষ্টেণ্ডার্ড'ত (Business Standard) প্রকাশিত এক বিশেষ অনুসন্ধানমূলক বাতৰিয়ে এই বিক্রী প্রক্রিয়াক লৈ কেতবোৰ গুৰুত্বপূর্ণ প্রশ্ন তুলিছে।

সম্পূর্ণ খবৰ:
https://newznow.in/news/117

৭ নৱেম্বৰত গুৱাহাটী প্রেছ ক্লাবত লীলাৱতী দাস সোঁৱৰণী কবিতা আবৃত্তি প্রতিযোগিতা

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ১:৪২



গুৱাহাটী, ৩১ অক্টোবৰঃ গুৱাহাটী প্রেছ ক্লাব আৰু ইনলি ফাউণ্ডেচনৰ উদ্যোগত অহা ৭ নৱেম্বৰত অনুষ্ঠিত হ'ব প্রয়াত লীলাৱতী দাস সোঁৱৰণী আন্তঃ সংবাদমাধ্যম একক আৰু দ্বৈত কবিতা আবৃত্তি প্রতিযোগিতা। সংবাদমাধ্যমৰ সৈতে জড়িত প্রতিযোগীসকলৰ বাবে আয়োজন কৰা হৈছে এই প্রতিযোগিতা।

প্রতিযোগিতাত একক আৰু দ্বৈত - দুয়োটা শাখা মিলি একোটা সংবাদ প্রতিষ্ঠানৰ পৰা সর্বাধিক ছগৰাকী প্রতিযোগীয়ে অংশগ্রহণ কৰিব পাৰিব।

একক আবৃত্তি শাখাৰ বাবে আয়োজকে পাঁচটা কবিতা নির্বাচন কৰিছে। সেইকেইটা হৈছে নৱকান্ত বৰুৱাৰ 'এন্ধাৰ ৰাতিৰ ইলিজী', নীলমণি ফুকনৰ 'স্বপ্নবাসৱদত্তা', ৰূপকোঁৱৰ জ্যোতিপ্রসাদ আগৰৱালাৰ 'কাঞ্চনজংঘাৰ বুৰঞ্জী', হেম বৰুৱাৰ 'জাৰৰ দিনৰ সপোন' আৰু জ্যোতিপ্রসাদ আগৰৱালাৰ 'নতুন'।

সম্পূর্ণ খবৰ:
https://newznow.in/news/124

কৃষক পঞ্জীয়নত গাফিলতি! নিলম্বিত হাইলাকান্দিৰ জিলা কৃষি বিষয়া

NewzNow ডেস্ক | ৩০ অক্টোবৰ ২০২৬, নিশা ১০:১০



হাইলাকান্দি: কৃষক পঞ্জীয়নত চৰম গাফিলতিৰ অভিযোগত এইবাৰ নিলম্বিত হ'ল হাইলাকান্দিৰ জিলা কৃষি বিষয়া মনোজ কুমাৰ বৈশ্য। অসম চৰকাৰৰ কৃষি বিভাগে ৩০ অক্টোবৰত জাৰি কৰা নির্দেশনাযোগে তাৎক্ষণিকভাৱে নিলম্বনৰ নির্দেশ দিছে বিষয়াগৰাকীক।

উল্লেখ্য, বৃহস্পতিবাৰে কৃষি মন্ত্রী পীযূষ হাজৰিকাৰ অধ্যক্ষতাত অনুষ্ঠিত পর্যালোচনা বৈঠকত জিলাখনত কৃষক পঞ্জীয়নৰ অগ্রগতি অতি হতাশাজনক বুলি প্রকাশ পাইছিল। অধীনস্থ বিষয়াসকলৰ তদাৰক আৰু ক্ষেত্র পর্যায়ৰ কাম-কাজ পৰিচালনাত ব্যর্থ হোৱাৰ অভিযোগো উত্থাপন হৈছিল জিলা কৃষি বিষয়াগৰাকীৰ বিৰুদ্ধে।

ইয়াৰ পূর্বে পাঁচগৰাকী কৃষি উন্নয়ন বিষয়াৰ বিৰুদ্ধেও বিভাগীয় ব্যৱস্থা গ্রহণ কৰা হৈছিল। বিভাগীয় তদন্তৰ বাবে মনোজ কুমাৰ বৈশ্যক নিলম্বন কৰা হৈছে।

সম্পূর্ণ খবৰ:
https://newznow.in/news/116

২০১৮ৰ মানহানিৰ গোচৰত ধ্রুৱ ৰাঠীৰ বিৰুদ্ধে পুনৰ গ্রেপ্তাৰী পৰোৱানা জাৰি

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ২:৫৬



নতুন দিল্লী, ৩১ অক্টোবৰঃ YouTuber ধ্রুৱ ৰাঠীৰ বিৰুদ্ধে ২০১৮ চনৰ এটা মানহানিৰ গোচৰত পুনৰ জামিনযোগ্য গ্রেপ্তাৰী পৰোৱানা জাৰি কৰিছে দিল্লীৰ এখন আদালতে। শনিবাৰে ন্যায়িক দণ্ডাধীশ ৰাহুল জৈনে এই নির্দেশ দিয়ে।

বিকাশ সাম্সকৃত্যায়ন ওৰফে বিকাশ পাণ্ডেই দাখিল কৰা মানহানিৰ গোচৰৰ ভিত্তিত এই ব্যৱস্থা গ্রহণ কৰা হৈছে।

অভিযোগকাৰীৰ দাবী অনুসৰি, ধ্ৰুৱ ৰাঠীয়ে নিজৰ YouTube চেনেলত প্ৰকাশ কৰা এটা ভিডিঅ'ৰ জৰিয়তে তেওঁৰ মানহানি কৰিছিল। অৱশ্যে আদালতৰ বিস্তৃত নিৰ্দেশ এতিয়াও প্ৰকাশ পোৱা নাই।

ইয়াৰ পূৰ্বে ১৭ অক্টোবৰত আদালতে ৰাঠীৰ বিৰুদ্ধে জামিনযোগ্য গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছিল। অভিযোগকাৰীৰ পক্ষই আদালতক জনাইছিল যে চমন জাৰি কৰিবলৈ প্ৰেৰণ কৰা কৰ্মচাৰীয়ে ৰাঠীৰ ঘৰ বন্ধ অৱস্থাত পাইছিল।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/140

টপাটলীত নতুন ৰাসায়নিক উদ্যোগৰ ৰাজহুৱা শুনানিক লৈ বিতর্ক, ৮০ শতাংশ চকী খালী থকাৰ অভিযোগ

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ৩:২৪



গুৱাহাটী: কামৰূপ মহানগৰ জিলাৰ টপাটলীত প্ৰস্তাৱিত এটা বৃহৎ ৰাসায়নিক উদ্যোগক লৈ অনুষ্ঠিত ৰাজহুৱা শুনানিক কেন্দ্ৰ কৰি সৃষ্টি হৈছে তীব্ৰ বিতর্ক।

৩০ অক্টোবৰত টপাটলীৰ NH-27ৰ কাষত প্ৰস্তাৱিত উদ্যোগিক প্ৰকল্পটোক লৈ অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ গুৱাহাটী আঞ্চলিক কাৰ্যালয়ে এই ৰাজহুৱা শুনানিৰ আয়োজন কৰিছিল।

M/s Progressive Innochem LLP নামৰ প্ৰতিষ্ঠানটোৱে স্থাপন কৰিবলৈ লোৱা উদ্যোগটোক লৈ অনুষ্ঠিত এই শুনানিত ৰাইজৰ অংশগ্ৰহণক কেন্দ্ৰ কৰি এতিয়া প্ৰশ্ন উত্থাপন হৈছে।

প্ৰস্তাৱিত উদ্যোগটোত কষ্টিক ছ'ডা, ক্লৰিনেটেড পেৰাফিন ৰাক্স, ক্লৰিনেটেড পলিইথিলিন, এলুমিনিয়াম ক্লৰাইড, ব্লিচিং পাউডাৰ আৰু ফেৰিক ক্লৰাইড উৎপাদনৰ পৰিকল্পনা কৰা হৈছে।

ইয়াৰ লগতে ২৫ মেগাৱাট ক্ষমতাসম্পন্ন এটা কেপটিভ বিদ্যুৎ কেন্দ্ৰ স্থাপনৰো প্ৰস্তাৱ আছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/143

ইউএছটিএমৰ দ্বাদশ সমাৱর্তন সম্পন্ন, জুবিন গার্গৰ স্মৃতিত প্ৰথমবাৰৰ বাবে সোণৰ পদক প্ৰদান

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, আবেলি ৪:১৩



ৰিভয়, ৩১ অক্টোবৰঃ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয় University of Science and Technology Meghalaya (USTM)ৰ দ্বাদশ সমাৱর্তন শনিবাৰে বিশ্ববিদ্যালয়খনৰ মূল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ উজ্জ্বল ভূঞা।

ভাষণৰ আৰম্ভণিতে ন্যায়াধীশ ভূঞাই কয় যে USTM-এ উত্তৰ-পূৰ্বাঞ্চলৰ লগতে সমগ্ৰ দেশৰ শিক্ষাক্ষেত্ৰত সুনাম অর্জন কৰিবলৈ সক্ষম হৈছে। ইয়াৰ বাবে তেওঁ বিশ্ববিদ্যালয় পৰিয়ালৰ সকলো সদস্যক অভিনন্দন জনায়। বিশ্ববিদ্যালয়খনৰ সাংস্কৃতিক সৌন্দর্য আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত থকা জনগোষ্ঠীয় বৈচিত্ৰ্যৰ কথা উল্লেখ কৰি তেওঁ কয় যে USTM হৈছে 'বৈচিত্ৰ্যৰ মাজত একতা'ৰ এক নিদর্শন।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/148

ৰাজ্যসভা উপ-নির্বাচনত মনোনয়ন দাখিল হৰদীপ সিং পুৰীৰ

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ২:০২



ভূপাল, ৩১ অক্টোবৰঃ কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীয়ে মধ্যপ্ৰদেশৰ পৰা ৰাজ্যসভাৰ উপ-নির্বাচনৰ বাবে আজি

মনোনয়ন পত্ৰ দাখিল কৰে। ভূপালস্থিত মধ্যপ্ৰদেশ বিধানসভা ভৱনত মনোনয়ন দাখিলৰ সময়ত উপস্থিত থাকে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱ আৰু বিজেপিৰ ৰাজ্যিক সভাপতি হেমন্ত খান্দেলৱাল।

মনোনয়ন দাখিলৰ পূৰ্বে পুৰীয়ে এটা গুৰুদ্বাৰত উপস্থিত হৈ প্ৰাৰ্থনা জনায়। ইয়াৰ পিছতে তেওঁ কৰুণা ধাম আশ্ৰমলৈ গৈ গুৰুদেৱ সুদেশ শাণ্ডিল্য মহাৰাজৰ সৈতে সাক্ষাৎ কৰি আশীৰ্বাদ গ্ৰহণ কৰে।

উল্লেখ্য যে, ২৮ অক্টোবৰত বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচনী সমিতিয়ে মধ্যপ্ৰদেশৰ ৰাজ্যসভাৰ উপ-নিৰ্বাচনৰ বাবে হৰদীপ সিং পুৰীৰ নাম দলীয় প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছিল।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/128

মণিপুৰত SoO চুক্তি বাতিলৰ দাবীত মেইটেই-নাগা সংগঠনৰ ৰাজ্যজোৰা প্ৰতিবাদ

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ৩:৫০



ইম্ফল, ৩১ অক্টোবৰঃ মণিপুৰত কুকি বিদ্ৰোহী সংগঠনসমূহৰ সৈতে স্বাক্ষৰিত Suspension of Operations (SoO) চুক্তি বাতিলৰ দাবীত শনিবাৰে মেইটেই আৰু নাগা সংগঠনসমূহে ৰাজ্যজুৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ইম্ফলত Coordinating Committee on Manipur Integrity (COCOMI)ৰ নেতৃত্বত হাজাৰ হাজাৰ লোকে সমদল উলিয়ায়। আনহাতে, নাগা সংগঠনসমূহেও বিভিন্ন পাহাৰীয়া জিলাত সমান্তৰাল প্ৰতিবাদ সাব্যস্ত কৰে।

ইম্ফলৰ টিডিম গ্ৰাউণ্ডৰ পৰা আৰম্ভ হোৱা সমদলটো থাউ গ্ৰাউণ্ডৰ দিশে আগবাঢ়ে। United Naga Council (UNC)-এ এই সমদললৈ সমৰ্থন আগবঢ়োৱাৰ লগতে নাগা সংগঠনসমূহক নিজ নিজ জিলাত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণৰ আহ্বান জনাইছিল।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/147

"কাইলৈ দেখা হ'ব, আহক একেলগে খোজ কাঢ়োঁ।": দিল্লীত সমদলৰ আহ্বান ৰাহুল গান্ধীৰ

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ২:৪৬



নতুন দিল্লী, ৩১ অক্টোবৰঃ INDIA মিত্ৰজোঁটৰ ১ নৱেম্বৰৰ দিল্লী সমাৱেশৰ পূৰ্বে ৰাইজক সমদলত অংশগ্ৰহণৰ আহ্বান জনাইছে লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে। শনিবাৰে সামাজিক মাধ্যমযোগে তেওঁ কয়, "কাইলৈ দেখা হ'ব, আহক একেলগে খোজ কাঢ়োঁ।"

ৰাহুল গান্ধীয়ে প্ৰকাশ কৰা অনুসৰি, দেওবাৰে দুপৰীয়া ১২ বজাত নতুন দিল্লীৰ মিন্টো ৰোড আৰু কনট প্লেচৰ সংযোগস্থলৰ পৰা সমদল আৰম্ভ হ'ব। সমদলটো আজমেৰী গে'ট হৈ ৰামলীলা ময়দানত উপস্থিত হ'ব। তাতেই INDIA মিত্ৰজোঁটৰ বৃহৎ সমাৱেশ অনুষ্ঠিত হোৱাৰ কথা।

সমাৱেশৰ মূল বিষয় হৈছে ভোটাৰ তালিকাৰ বিশেষ নিবিড় সংশোধন (SIR) আৰু মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক লৈ বিৰোধী দলসমূহে উত্থাপন কৰা অভিযোগ।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/138

পঞ্জাব বিধানসভা নিৰ্বাচনৰ বাবে AAPৰ ৪০ প্ৰাৰ্থীৰ তালিকা, ধুৰিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব ভগৱন্ত মানে

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ২:১৮




গুৱাগড়, ৩১ অক্টোবৰঃ ২০২৭ চনৰ পঞ্জাব বিধানসভা নিৰ্বাচনৰ বাবে ৪০গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা ঘোষণা কৰিছে আম আদমী পাৰ্টিয়ে (AAP)। মুখ্যমন্ত্ৰী ভগৱন্ত মানে পুনৰ ধুৰি সমষ্টিৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হ'ব। আনহাতে, বৰ্তমান কাৰাগাৰত থকা মন্ত্ৰী সঞ্জীৱ আৰোৰাক লুধিয়ানা ৱেষ্ট সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব প্ৰদান কৰিছে দলটোৱে।

শনিবাৰে AAPৰ ৰাজনৈতিক পৰিক্ৰমা সমিতিৰ (PAC) বৈঠকৰ পিছত প্ৰাৰ্থীৰ নামসমূহ ঘোষণা কৰা হয়। নতুন দিল্লীত দলৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালৰ বাসগৃহত অনুষ্ঠিত এই বৈঠকত কেজৰিৱালৰ লগতে পঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান, দলৰ পঞ্জাবৰ তত্ত্বাৱধায়ক মনীষ ছিছোদিয়া, বিত্তমন্ত্ৰী হৰপাল চিমা আৰু আন কেইবাগৰাকীও নেতা উপস্থিত আছিল।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/131

ভাৰতৰ নিজা GPS ব্যৱস্থা শক্তিশালী কৰিবলৈ ISROৰ NVS-03 উপগ্ৰহ উৎক্ষেপণ

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ১:৪৭



নতুন দিল্লী, ৩১ অক্টোবৰঃ ভাৰতৰ নিজা উপগ্ৰহ-ভিত্তিক নেভিগেচন ব্যৱস্থা NavIC অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে Indian Space Research Organisation (ISRO)-এ সফলতাৰে উৎক্ষেপণ কৰিলে NVS-03 উপগ্ৰহ। শুকুৰবাৰে নিশা ১১ বাজি ৫১ মিনিটত অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ দ্বিতীয় উৎক্ষেপণ মঞ্চৰ পৰা GSLV-F18 ৰকেটৰ জৰিয়তে উপগ্ৰহটো উৎক্ষেপণ কৰা হয়।

প্ৰায় ২,২৩২ কিলোগ্ৰাম ওজনৰ NVS-03 উপগ্ৰহটোক নিৰ্ধাৰিত Geosynchronous Transfer Orbit (GTO)ত স্থাপন কৰিবলৈ সক্ষম হয় ISRO। এই উৎক্ষেপণ GSLV ৰকেটৰ ২০সংখ্যক অভিযান।

NVS-03 হৈছে ISROৰ দ্বিতীয় প্ৰজন্মৰ নেভিগেচন উপগ্ৰহ শৃংখলাৰ তৃতীয়টো উপগ্ৰহ।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/125

পোলেণ্ডত সাংবিধানিক সংকট! ন্যায়াধিকৰণৰ মুৰব্বীক নিলম্বনক লৈ চৰকাৰ-বিৰোধীৰ সংঘাত

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ৩:২৫



ৱাৰ্ছ, ৩১ অক্টোবৰঃ পোলেণ্ডৰ সাংবিধানিক ন্যায়াধিকৰণৰ মুৰব্বী বগদান শ্বিয়েনচকভস্কিক নিলম্বন কৰাৰ ঘটনাক কেন্দ্ৰ কৰি দেশখনত ৰাজনৈতিক উত্তেজনা বৃদ্ধি পাইছে। শুকুৰবাৰে ৰাজধানী ৱাৰ্ছত ন্যায়াধিকৰণৰ কাৰ্যালয়ৰ বাহিৰত প্ৰতিবাদ সাব্যস্ত কৰে কেইবাগৰাকীও লোকে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষী মোতায়েন কৰা হয়।

প্ৰতিবাদৰ সময়ত একাংশ লোকে ন্যায়াধিকৰণৰ বেৰ পাৰ হৈ ভিতৰলৈ সোমোৱাৰ চেষ্টা কৰে। আন একাংশই আৰক্ষীৰ ওপৰত বিভিন্ন সামগ্ৰী নিক্ষেপ কৰে। আৰক্ষীয়ে এই ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত তিনিজন লোকক আটক কৰিছে।

ন্যায়াধিকৰণৰ সভাপতি বগদান শ্বিয়েনচকভস্কি আৰু উপ-সভাপতি বাৰ্তোমিয়েই ছ'হানস্কিক নিলম্বন কৰাৰ পিছতে এই পৰিস্থিতিৰ সৃষ্টি হয়।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/144

জাগীৰোডত উদ্যোগৰ ৰাজহুৱা শুনানিক লৈ স্থানীয় লোকৰ আপত্তি

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ৩:২৪



জাগীৰোডৰ চুপাৰি এনচিত উদ্যোগ স্থাপনৰ প্ৰস্তাৱক লৈ অনুষ্ঠিত ৰাজহুৱা শুনানিত স্থানীয় লোকৰ অংশগ্ৰহণ, পৰিৱেশৰ সুৰক্ষা আৰু কৃষিজমিৰ ক্ষতিৰ আশংকা লৈ প্ৰশ্ন উঠিছে। শুনানিত সিদ্ধান্ত লোৱাৰ আগতে স্থানীয় ৰাইজক অৱগত কৰি পুনৰ প্ৰক্ৰিয়া চলোৱাৰ দাবী জনোৱা হয়।

শুনানিখনৰ খবৰ সেইদিনা পুৱা ১০ বজাতহে পোৱা বুলি

অভিযোগ উত্থাপন হয়। সেয়েহে সুকাতা, কাইকুছি আৰু টপাটলী ৰাজহ গাঁৱৰ বহু লোক উপস্থিত থাকিব নোৱাৰিলে বুলি কোৱা হয়। সভাস্থলীত প্ৰায় ৯০জন লোক উপস্থিত আছিল বুলিও উল্লেখ কৰা হয়।

টপাটলীত প্ৰস্তাৱিত উদ্যোগটোৰ বাবে ৬.৭ হেক্টৰ, অৰ্থাৎ ৪২ বিঘাৰো অধিক মাটি সামৰি লোৱাৰ কথা শুনানিত উত্থাপন হয়।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/137

বাংলাদেশত পুনৰ ভাৰত বিৰোধী শ্লোগান, তাৰেক ৰহমান চৰকাৰৰ বিৰুদ্ধে NCPৰ প্ৰতিবাদ

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, নিশা ৭:১৭



ঢাকা, ৩১ অক্টোবৰ: বাংলাদেশৰ ৰাজধানী ঢাকাত পুনৰ উত্থাপিত হৈছে ভাৰতবিৰোধী শ্লোগান। দেশখনৰ মূল্যবৃদ্ধি, বিদ্যুৎ সংকট আৰু ইন্ধন-গেছৰ নাটনিৰ প্ৰতিবাদত শুকুৰবাৰে ৰাজপথলৈ ওলাই আহে National Citizen Party (NCP)-ৰ নেতা-কৰ্মীসহ হাজাৰ হাজাৰ প্ৰতিবাদকাৰী। সমাৱেশত 'দিল্লী নে ঢাকা? ঢাকা, ঢাকা' শ্লোগান দিয়াৰ লগতে ভাৰতৰ বিৰুদ্ধে কেইবাটাও অভিযোগ উত্থাপন কৰে NCPৰ আহ্বায়ক নাহিদ ইছলামে।

ঢাকাৰ National Museum-ৰ সন্মুখত অনুষ্ঠিত প্ৰতিবাদী কাৰ্যসূচীত নাহিদ ইছলামে গৃহমন্ত্ৰী ছালাহউদ্দিন আহমেদ আৰু শক্তিমন্ত্ৰী ইকবাল হাছান মাহমুদ টুকুৰ পদত্যাগ দাবী কৰে। দাবী পূৰণ নহ'লে আন্দোলন অব্যাহত ৰখাৰ লগতে দেশজুৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ সকীয়নি দিয়ে তেওঁ।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/154

মণিপুৰত মহিলাক অপহৰণৰ অভিযোগত নিষিদ্ধ সংগঠনৰ দুই সদস্য গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ৩:৩২



ইম্ফল, ৩১ অক্টোবৰঃ মণিপুৰৰ ইম্ফল পূব জিলাত এগৰাকী মহিলাক অপহৰণৰ ঘটনাত জড়িত থকাৰ সন্দেহত নিষিদ্ধ ঘোষিত সংগঠনৰ দুজন সদস্যক গ্ৰেপ্তাৰ কৰিছে নিৰাপত্তা বাহিনীয়ে। আৰক্ষীৰ মতে, ধৃত দুয়োজনেই নিষিদ্ধ কাংলেইপাক কমিউনিষ্ট পার্টি (নংদ্রেনখোম্বা)ৰ সদস্য।

বৃহস্পতিবাৰে আৰক্ষীৰ কমাণ্ডো আৰু ৩১ অসম ৰাইফলছৰ এটা যুটীয়া দলে অভিযান চলাই দুয়োজনক আটক কৰে। আৰক্ষীৰ এক বিবৃতিত প্ৰকাশ পোৱা অনুসৰি, যোৱা ৩ ছেপ্টেম্বৰত ইম্ফল পূব জিলাৰ টপ আৱাং লেইকাই অঞ্চলৰ পৰা এগৰাকী মহিলাক অপহৰণ কৰা ঘটনাত তেওঁলোক জড়িত থকাৰ সন্দেহ কৰা হৈছে।

অভিযানৰ সময়ত ধৃত লোক দুজনৰ পৰা এটা আগ্নেয়াস্ত্ৰ, গুলী-বাৰুদ আৰু এখন বাহন জব্দ কৰা হৈছে বুলি আৰক্ষীয়ে জনাইছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/145

ভেৰগাঁৱত দুটাকৈ পথ নিৰ্মাণৰ কামৰ শুভাৰম্ভ, দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ আশা

পিংকু কলিতা | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ২:১২



ভেৰগাঁও, ৩১ অক্টোবৰঃ বিটিচিৰ ভেৰগাঁও পৰিষদীয় সমষ্টিত দুটাকৈ গুৰুত্বপূৰ্ণ পথ নিৰ্মাণ আঁচনিৰ শুভাৰম্ভ কৰিছে বিটিচি প্ৰশাসনে। টিচিএলচিচিৰ উপাধ্যক্ষ মহেন্দ্ৰ বসুমতাৰীৰ নেতৃত্বত শুক্লাই-নালাপাৰা আৰু শুক্লাইৰ পৰা ৰাজাগড় হৈ নালাপাৰালৈ যোৱা গড়কাপ্তানী পথ দুটাৰ নিৰ্মাণৰ শিলান্যাস কৰা হয়।

পথ দুটাৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে অঞ্চলটোৰ ৰাইজৰ দীৰ্ঘদিনীয়া

সমস্যাৰ সমাধান হ'ব বুলি আশা প্ৰকাশ কৰে মহেন্দ্ৰ বসুমতাৰীয়ে। তেওঁ কয় যে ৰাইজৰ প্ৰতিটো মৌলিক সমস্যা সমাধানৰ ক্ষেত্ৰত বিটিচি চৰকাৰ সদায় দায়বদ্ধ।

উল্লেখ্য যে, পথ দুটাৰ জৰাজীৰ্ণ অৱস্থাৰ বাবে দীৰ্ঘদিন ধৰি যাত্ৰীসকলৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও যাতায়াতৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছিল।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/130

সকলো মন্ত্ৰীলৈ মুখ্যমন্ত্ৰীৰ জৰুৰী নিৰ্দেশ, বৈঠকত আমন্ত্ৰণ জনাব লাগিব স্থানীয় বিধায়কক

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ১:০১



গুৱাহাটী, ৩১ অক্টোবৰঃ ৰাজ্যৰ সকলো মন্ত্ৰীলৈ জৰুৰী নিৰ্দেশ জাৰি কৰিছে মুখ্যমন্ত্ৰী কাৰ্যালয়ে। এতিয়াৰে পৰা বিভিন্ন সমিতিৰ বৈঠক আৰু চৰকাৰী কাৰ্যসূচীত সংশ্লিষ্ট স্থানীয় বিধায়কসকলক আমন্ত্ৰণ জনোৱাটো নিশ্চিত কৰিব লাগিব মন্ত্ৰীসকলে।

মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ পৰা জাৰি কৰা নিৰ্দেশনাত কোৱা হৈছে যে, বিভিন্ন সমিতিৰ বৈঠকত স্থানীয় বিধায়কসকলক গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন হৈছে। বহু ক্ষেত্ৰত বিধায়কসকলক আমন্ত্ৰণ জনোৱা নহয় বুলিও অভিযোগ উঠিছে। ইয়াৰ পিছতে বিষয়টোত স্পষ্ট নিৰ্দেশনা দিছে মুখ্যমন্ত্ৰীয়ে।

নিৰ্দেশনাত কি আছে?

১. যিকোনো সমিতিৰ বৈঠক অনুষ্ঠিত কৰাৰ আগতে সংশ্লিষ্ট স্থানীয় বিধায়কক জ্ঞাত কৰিব লাগিব।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/121

'ৰাহুল গান্ধীক আজীৱন ভুৱা প্ৰধানমন্ত্ৰী হৈ থাকিবলৈ দিয়ক' - INDIA মিত্ৰজোঁটক বিজেপিৰ কটাক্ষ

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, আবেলি ৬:৫০



নতুন দিল্লী, ৩১ অক্টোবৰ: মুখ্য নিৰ্বাচন আয়ুক্ত (CEC) জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে INDIA মিত্ৰজোঁটে গ্ৰহণ কৰা 'জনতাৰ মহাভিযোগ' কাৰ্যসূচীক লৈ কংগ্ৰেছ আৰু বিৰোধী মিত্ৰজোঁটক তীব্ৰ কটাক্ষ কৰিছে বিজেপিয়ে। এই কাৰ্যসূচীক সংসদৰ অনুকৰণত অনুষ্ঠিত এক 'নাটক' আৰু সংসদীয় ব্যৱস্থাৰ প্ৰতি উপহাস বুলি অভিহিত কৰিছে বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ সম্বিত পাত্ৰই।

শনিবাৰে বিৰোধী মিত্ৰজোঁটৰ কাৰ্যসূচীৰ সমান্তৰালভাৱে সংবাদমেল অনুষ্ঠিত কৰি সম্বিত পাত্ৰই ৰাহুল গান্ধীক লক্ষ্য কৰি কয়, "বিশ্বই ইতিমধ্যে বুজি পাইছে যে ৰাহুল গান্ধীৰ কোনো সামৰ্থ্য নাই। এই উপগ্ৰহ কেতিয়াও উৎক্ষেপণ নহ'ব। তেওঁক আজীৱন ভুৱা প্ৰধানমন্ত্ৰী হৈ থাকিবলৈ দিয়ক, আমাৰ কোনো আপত্তি নাই।"

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/153

নাছিকত সিংহস্থ কুম্ভমেলাৰ শুভাৰম্ভ, মূল পতাকা উত্তোলন ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ১:৫৬



নাছিক, ৩১ অক্টোবৰঃ মহাৰাষ্ট্ৰৰ নাছিক আৰু ত্ৰিম্বকেশ্বৰত আজিৰে পৰা আৰম্ভ হৈছে সিংহস্থ কুম্ভমেলাৰ উৎসৱ। বৃহস্পতি গ্ৰহ সিংহ ৰাশিত প্ৰৱেশ কৰাৰ শুভক্ষণত আয়োজিত এই অনুষ্ঠানত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে নাছিকৰ ৰামকুণ্ডত মূল পতাকা উত্তোলন কৰি কুম্ভমেলাৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

আনহাতে, ত্ৰিম্বকেশ্বৰৰ কুশাৱৰ্ত তীৰ্থত ধৰ্মধ্বজা উত্তোলন কৰে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নৱিছে। অনুষ্ঠানত ৰাজ্যপাল

জিষ্ণু দেৱ বর্মা, উপ-মুখ্যমন্ত্রী একনাথ শিণ্ডে আৰু সুনেত্রা পাৱাৰৰ লগতে কেইবাগৰাকীও সাধু-সন্ত আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

পতাকা উত্তোলনৰ পূর্বে ৰাষ্ট্রপতি মুর্মুৱে গংগা গোদাৱৰী মন্দিৰ আৰু ৰামকুণ্ডত পূজা-অর্চনা কৰে। আনহাতে, মুখ্যমন্ত্রী ফাড়নৱিছে কুশাৱর্ত তীর্থত প্রার্থনা জনায়।

সম্পূর্ণ খবৰ:
https://newznow.in/news/126

জাপানক ৪-১ গ'লত পৰাস্ত কৰি Asian Champions Trophyত ভাৰতৰ একেৰাহে তৃতীয় জয়

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ২:০৫



জলন্ধৰ, ৩১ অক্টোবৰঃ Men's Asian Champions Trophyত জয়ৰ ধাৰা অব্যাহত ৰাখিছে ভাৰতে। পঞ্জাবৰ জলন্ধৰত অনুষ্ঠিত প্রতিযোগিতাৰ এখন লীগ মেচত জাপানক ৪-১ গ'লত পৰাস্ত কৰি একেৰাহে তৃতীয়টো জয় সাব্যস্ত কৰে ভাৰতীয় হকী দলে।

মেচখনত ভাৰতৰ হৈ অভিষেক নাইন আছিল অন্যতম সফল খেলুৱৈ। তেওঁ দুটা ফিল্ড গ'ল দিয়াৰ লগতে মেচৰ শ্রেষ্ঠ খেলুৱৈৰ হিচাপে বিবেচিত হয়। বিষ্ণুকান্ত সিঙে এটা গ'ল দিয়াৰ বিপৰীতে অধিনায়ক হৰমনপ্রীত সিঙে পেনাল্টি কর্ণাৰৰ পৰা এটা গ'ল কৰে। চলিত প্রতিযোগিতাত এয়া হৰমনপ্রীতৰ পঞ্চমটো গ'ল।

আনহাতে, জাপানৰ হৈ খোটা য়ামাডাই পেনাল্টি ষ্ট্রক'ৰ জৰিয়তে একমাত্র গ'লটো দিয়ে।

এই জয়ৰ জৰিয়তে প্রতিযোগিতাত ভাৰতে এতিয়ালৈকে খেলা তিনিওখন মেচতে জয়লাভ কৰি নিজৰ অপৰাজিত যাত্রা অব্যাহত ৰাখিছে।

সম্পূর্ণ খবৰ:
https://newznow.in/news/129

নিউজিলেণ্ডৰ বিৰুদ্ধে প্রথম তিনিখন এদিনীয়াতো খেলিব অকিব নবীয়ে, ভাৰতীয় দলত স্থান

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ২:২৪



নতুন দিল্লী, ৩১ অক্টোবৰঃ নিউজিলেণ্ডৰ বিৰুদ্ধে আগন্তুক এদিনীয়া শৃংখলাৰ প্রথম তিনিখন মেচৰ বাবেও ভাৰতীয় দলত অন্তর্ভুক্ত কৰা হৈছে পেচ বলাৰ অকিব নবীক। পূর্বে শৃংখলাৰ চতুর্থ আৰু পঞ্চমখন এদিনীয়াৰ বাবেহে দলত স্থান লাভ কৰিছিল জম্মু-কাশ্মীৰৰ এইগৰাকী সোঁহতীয়া পেচাৰে।

ভাৰতীয় ক্রিকেট নিয়ন্ত্রণ ব'র্ডৰ (BCCI) নির্বাচক সমিতিয়ে শনিবাৰে দলৰ এই সালসলনি ঘোষণা কৰে। পেচ বলাৰ প্রসিদ্ধ কৃষ্ণা হেমষ্ট্রিং আঘাতৰ পৰা সম্পূর্ণ সুস্থ হৈ নুঠাৰ বাবে সমগ্র এদিনীয়া শৃংখলাৰ পৰা বাহিৰ হোৱাৰ পিছতে অকিব নবীক প্রথম তিনিখন মেচৰ দলত অন্তর্ভুক্ত কৰা হয়।

অহা ৪ নৱেম্বৰৰ পৰা নিউজিলেণ্ডৰ মাটিত আৰম্ভ হ'ব পাঁচখন মেচৰ এদিনীয়া শৃংখলা। প্রথমখন মেচ অনুষ্ঠিত হ'ব অকলেণ্ডৰ ইডেন পার্কত।

সম্পূর্ণ খবৰ:
https://newznow.in/news/132

৪৫ ৰানৰ পিছতো মূল একাদশত বাদ বৈভৱ: "খেলাব নোৱাৰিলে ঘৰলৈ পঠিয়াই দিয়ক"

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ২:৫২



নতুন দিল্লী, ৩১ অক্টোবৰঃ ভাৰতীয় ক্রিকেট দলত ১৫ বছৰীয়া বৈভৱ সূর্যবংশীৰ ভূমিকা আৰু ভৱিষ্যৎ পৰিকল্পনা স্পষ্ট কৰিবলৈ দল পৰিচালনাক আহ্বান জনাইছে প্রাক্তন ভাৰতীয় ক্রিকেটাৰ আকাশ চোপ্রাই। নিউজিলেণ্ডৰ বিৰুদ্ধে চতুর্থ T20Iত বৈভৱক খেলোৱাৰ সুযোগ নিদিয়াৰ সিদ্ধান্তক লৈ প্রশ্ন উত্থাপন কৰি তেওঁ কয়, যদি দলত নিয়মীয়াকৈ খেলোৱাৰ পৰিকল্পনা নাই,

তেন্তে বৈভৱক ঘৰলৈ পঠিয়াই ঘৰুৱা প্ৰথম শ্ৰেণীৰ ক্ৰিকেট খেলিবলৈ দিব লাগে।

নিউজিলেণ্ডৰ বিৰুদ্ধে চলি থকা পাঁচখনীয়া T20I শৃংখলাৰ দ্বিতীয় আৰু তৃতীয়খন মেচত খেলাৰ সুযোগ পাইছিল বৈভৱে। দ্বিতীয় মেচত মাত্ৰ ৪ ৰান কৰাৰ বিপৰীতে তৃতীয়খন মেচত ১৯টা বলত ৪৫ ৰানৰ আক্ৰমণাত্মক ইনিংছ খেলিছিল তেওঁ।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/139

অসম

টপাটলীত উদ্যোগ স্থাপনৰ ৰাজহুৱা শুনানিক লৈ তীব্ৰ বিতৰ্ক

NewzNow ডেস্ক | ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ৩:০৮



শনিবাৰে এখন ৰাজহুৱা শুনানিত উপস্থিত এগৰাকী খেতিয়কে প্ৰগ্ৰেছিভ ফাৰ্টিকেমৰ কাম-কাজৰ ফলত অঞ্চলটোৰ পানী, খেতি আৰু মাছৰ ক্ষতি হোৱা বুলি অভিযোগ কৰি শুনানিখন স্থগিত ৰাখি বহল ভিত্তিত পুনৰ আয়োজনৰ দাবী জনায়।

তেওঁৰ অভিযোগ, বামফৰ্ড, ভেলগুৰি, নিহংদিচা, টোপাতলি আৰু দক্ষিণ টোপাতলিৰ দৰে প্ৰভাৱিত অঞ্চলক পৃথকভাৱে বিবেচনা কৰিলে ৫০ জনতকৈ অধিক লোকৰ মৃত্যু ঘটিছে। এই অভিযোগৰ সত্যতা স্বাধীনভাৱে নিশ্চিত হোৱা নাই।

কাৰখানীৰ পৰা এৰি দিয়া পানীৰ ফলত এপ্ৰিল বা মে' মাহত পথাৰৰ মাটি আৰু গছ-গছনি নষ্ট হোৱা বুলি তেওঁ অভিযোগ কৰে। পানী বৈ যোৱা দিশৰ মাটিত তৰপ জমা হৈছিল, পুখুৰীৰ মাছ শুকাই গৈছিল আৰু ধৰা মাছ খাব নোৱাৰা হৈছিল বুলিও তেওঁ কয়।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/134

NewzNow ই-কাকত: প্ৰতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্ৰতিটো খবৰৰ সম্পূৰ্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।